# Phone call between Prime Minister Shri Narendra Modi and H.E. Dr. John Pombe Joseph Magufuli, President of the United Republic of Tanzania

June 12, 2020

# প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী আৰু সংযুক্ত তাঞ্জানিয়া গণৰাজ্যৰ ৰাষ্ট্ৰপতি মহামান্য ড০ জন পোম্বে জোছেফ মাগুফুলিৰ মাজত টেলিফোনযোগে বাৰ্তালাপ

জুন 12, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি সংযুক্ত তাঞ্জানিয়া গণৰাজ্যৰ ৰাষ্ট্ৰপতি মহামান্য ড০ জন পোম্বে জোছেফ মাগুফুলিৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে।

প্ৰধানমন্ত্ৰীয়ে 2016 চনৰ জুলাই মাহত ডাৰ-এছ-চালাম ভ্ৰমণৰ কথা স্মৰণ কৰে আৰু তাঞ্জানিয়াৰ সৈতে ঐতিহ্যগত বন্ধুত্বপূৰ্ণ সম্পৰ্ক বজাই ৰাখাৰ ক্ষেত্ৰত ভাৰতে গুৰুত্ব আৰোপ কৰে। তেখেতে তাঞ্জানিয়াৰ চৰকাৰ আৰু জনসাধাৰণৰ প্ৰয়োজন অনুসৰি তাঞ্জানিয়াৰ উন্নয়নৰ যাত্ৰাত অংশীদাৰ কৰাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতি পুনৰাই ব্যক্ত কৰে।

প্ৰধানমন্ত্ৰীয়ে ক'ভিড-19ৰ পৰিপ্ৰেক্ষিতত তাঞ্জানিয়াত থকা ভাৰতীয় নাগৰিকসকলক দেশলৈ উভতাই পঠোৱাৰ ক্ষেত্ৰত তাঞ্জানিয়া কৰ্তৃপক্ষই আগবঢ়োৱা সহায়ৰ বাবে ৰাষ্ট্ৰপতি ড০ মাগুফুলিক ধন্যবাদ জ্ঞাপন কৰে।

দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ সামগ্ৰিকভাৱে পৰ্যালোচনা কৰে। ভাৰত আৰি তাঞ্জানিয়াৰ মাজত উন্নয়নৰ অংশীদাৰ, শিক্ষাৰ ক্ষেত্ৰত যোগাযোগ আৰু বাণিজ্য আৰু বিনিয়োগৰ ক্ষেত্ৰত ক্ৰমবৰ্দ্ধমান প্ৰবাহক লৈ তেওঁলোকে সন্তোষ প্ৰকাশ কৰে আৰু এই ক্ষেত্ৰত ভৱিষ্যতে এই সম্পৰ্কক আৰু ত্বৰান্বিত কৰাৰ সম্ভাৱনাক লৈও আলোচনা কৰে।

আগন্তোক বৰ্ষত তাঞ্জানিয়াত ৰাষ্ট্ৰপতি আৰু সাংসদীয় নিৰ্বাচনৰ বাবে প্ৰধানমন্ত্ৰীয়ে তাঞ্জানিয়াৰ জনসাধাৰণ আৰু ৰাষ্ট্ৰপতি মহামান্য মাগুফুলিক শুভেচ্ছা জ্ঞাপন কৰে।

**নতুন দিল্লী**
**জুন 12, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.